**ইৰাণৰ ৰাষ্ট্ৰপতিৰ সৈতে টেলিফোনত প্ৰধানমন্ত্ৰীৰ বাৰ্তালাপ**

জুন 22, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইৰাণৰ ৰাষ্ট্ৰপতি মহামান্য মাছুদ পেজেস্কিয়ানৰ সৈতে টেলিফোনত বাৰ্তালাপ কৰে।

2. ৰাষ্ট্ৰপতি পেজেস্কিয়ানে প্ৰধানমন্ত্ৰীক বিতংভাৱে অঞ্চলটোৰ বৰ্তমানৰ পৰিস্থিতি বিশেষকৈ ইৰাণ আৰু ইজৰাইলৰ মাজত চলি থকা সংঘাতৰ বিষয়ে অৱগত কৰে।

3. শেহতীয়া ঘটনা সন্দৰ্ভত তীব্ৰ উদ্বেগ প্ৰকাশ কৰে ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতে শান্তি আৰু মানৱতাৰ দিশত থিয় দিব। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে তাৎক্ষণিক সম্বৰণ, বাৰ্তালাপ আৰু কূটনীতিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ আঞ্চলিক শান্তি, সুৰক্ষা তথা স্থিৰতা পুনৰুদ্ধাৰৰ বাবে ভাৰতৰ সমৰ্থনৰ কথা দোহাৰে।

4. প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় লোকৰ নিৰাপদ প্ৰত্যাৱৰ্তন আৰু ইয়াৰ বাবে ৰাষ্ট্ৰপতি পেজেস্কিয়ানৰ সমৰ্থনক ধন্যবাদ জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা, বিজ্ঞান আৰু প্ৰযুক্তি আৰু জনসাধাৰণৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ বাবে কাম কৰি যাবলৈ ভাগ-বতৰা কৰা প্ৰতিশ্ৰুতি পুনৰবাৰ উল্লেখ কৰে।

5. তেওঁলোকে পৰস্পৰে সম্পৰ্ক ৰক্ষা কৰি থাকিবলৈ সন্মতি প্ৰকাশ কৰে।

নতুন দিল্লী
জুন 22, 2025